# স্পষ্টীকৰণ

২৮ জুন, ২০১৫ ইং তাৰিখ ৰবিবাৰে **"শংকৰজ্যোতি"** কাকতত প্ৰকাশিত "নলবাৰীত আৰক্ষী কনিষ্টবল নিযুক্তি প্ৰক্ৰিয়াত অনিয়ম" আৰু ২৯ জুন, ২০১৫ ইং তাৰিখ সোমবাৰে অসমীয়া **"জনসাধাৰণ"** কাকতত প্ৰকাশিত "নলবাৰীত আৰক্ষী কনিষ্টবল নিযুক্তিত দুৰ্নীতিৰ অভিযোগ" শীৰ্ষক বাতৰিদ্বয়ৰ স্পষ্টীকৰণ ।

উক্ত বাতৰিৰ সম্পৰ্কত স্পষ্টীকৰণ এনেধৰণৰ যে শাৰীৰিক যোগ্যতাৰ মাপকাঠিত উপযুক্ত বুলি বিবেচিত সকলো প্ৰাৰ্থীকে লিখিত পৰীক্ষাত বিজ্ঞাপনৰ নিৰ্দেশনাৰ অনুসৰি আমন্ত্ৰিত হোৱা নাছিল । এটা নিৰ্দিষ্ট যোগ্য নম্বৰৰ ভিত্তিতহে (শ্ৰেণী বিভাজন অনুসৰি) আমন্ত্ৰন জনোৱা হৈছিল ।

গতিকে উক্ত যোগ্য নম্বৰৰ তলত থকা প্ৰাৰ্থীসকলৰ কেইজনমান প্ৰাৰ্থীয়ে লিখিত পৰীক্ষাত আমন্ত্ৰণ নাপাই অসন্তুষ্ট হৈ কিছুমান মনে সজা আৰু ভিত্তিহীন অভিযোগ সংবাদ মাধ্যমৰ জৰিয়তে আৰক্ষী অধীক্ষকৰ বিৰুদ্ধে আনি জন মানসত হেয় প্ৰতিপন্ন কৰাৰ চেষ্টা চলাইছে ।

আৰক্ষী অধীক্ষক
নলবাৰী (অসম)